# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ অপুলীয়াত হ'বলগীয়া জি-ছেভেন আউটৰীচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

২। আমেৰিকা আৰু  ইউক্ৰেইনে কালি ইটালীত জি-৭ শীৰ্ষ সন্মিলনৰ সুযোগতে কিয়েভৰ সৈতে ৱাছিংটনৰ দীৰ্ঘকালীন সুৰক্ষা সম্বন্ধ প্ৰতিফলিত কৰা এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

৩। কুৱেইটত সংঘটিত অগ্নিকাণ্ডত নিহত হোৱা লোকসকলৰ মৃতদেহ কঢ়িয়াই অনা ভাৰতীয় বায়ুসেনা বাহিনীৰ বিশেষ বিমানখন আহি ক'ছিন আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হৈছেহি।

৪। চৌদি আৰবৰ মিনাত ৫ দিনীয়া হজ যাত্ৰাৰ কাৰ্যসূচী আজি আৰম্ভ হৈছে। এই উপলক্ষে বিশ্বৰ প্ৰায় ২০ লাখ লোক ইয়াত একত্ৰিত হৈছে।

আৰু

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ট্ৰিনিডাদৰ ব্ৰিয়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত আজি পুৱা আফগানিস্তানে পাপুৱা নিউগিনিক ৭ উইকেটত পৰাস্ত কৰে। ০০০০

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ অপুলীয়াত হ'বলগীয়া জি-ছেভেন আউটৰীচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমোডী  যোৱা নিশা ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নিৰ নিমন্ত্ৰণ মৰ্মে দুদিনীয়া ভ্ৰমণসূচীৰে ইটালীত উপস্থিত হয়। ভাৰতবৰ্ষক এইবেলি জি-ছেভেন শীৰ্ষ সন্মিলনলৈ আউটৰীচ ৰাষ্ট্ৰ হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। প্ৰধানমন্ত্ৰী মোডীয়ে এই সন্মিলনত ভাগ লোৱাৰ সুযোগতে আজি বিভিন্ন দেশৰ কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধিৰ জয়ছৱালে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা দ্বিপাক্ষিক বৈঠকৰ সবিশেষ অনুসৰি শ্ৰীমোডীয়ে আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি চুনাক, জাৰ্মানীৰ চেন্সেলৰ অ'লাফ স্কোল্জ, ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নি, জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিদা আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেংস্কিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

প্ৰধানমন্ত্ৰীয়ে কালি ইটালীলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত কয় যে চৰকাৰ ভাৰত আৰু ইটালীৰ মাজত কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় তথা ভূমধ্য সাগৰীয় অঞ্চলত সহযোগিতা শক্তিশালী কৰি তুলিবলৈ বদ্ধপৰিকৰ। তেওঁ লগতে একেৰাহে তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথম বিদেশ ভ্ৰমণৰূপে জি-ছেভেন শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে ইটালীলৈ

ৰাওনা হোৱাৰ কথাটোলৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে যোৱা বছৰত ইটালীৰ প্ৰধানমন্ত্ৰী জিঅৰ্জিয়া মেল'নিৰ দুবাৰকৈ ভাৰত ভ্ৰমণে দেশখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন দিশৰ সূচনা কৰিছে। জি-৭ আউটৰীচ শীৰ্ষ সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলৰ প্ৰসঙ্গই অগ্ৰাধিকাৰ লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে কয় যে এই ভ্ৰমণে ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলন আৰু এইবাৰৰ জি-ছেভেন শীৰ্ষ সন্মিলনৰ ফলাফলৰ ক্ষেত্ৰত অধিক সমন্বয় গঢ়ি তোলা আৰু কম উন্নত দেশৰ বাবে গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে আলাপ-আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। শ্ৰীমোডীয়ে কয় যে তেওঁ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা অন্য নেতাসকলক সাক্ষাৎ কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে।

ooooooo

আমেৰিকা আৰু ইউক্ৰেইনে কালি ইটালীত জি-৭ শীৰ্ষ সন্মিলনৰ সুযোগতে কিয়েভৰ সৈতে ৱাছিংটনৰ দীৰ্ঘকালীন সুৰক্ষা সম্বন্ধ প্ৰতিফলিত কৰা এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল'ডিমিৰ জেলেনস্কিয়ে এই দ্বিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰে। সংবাদ মাধ্যমৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি বৃটেইন, ফ্ৰান্স আৰু জাৰ্মানীৰ লগতে ১৫খন দেশে কিয়েবৰ সৈতে দীৰ্ঘকালীন সুৰক্ষা চুক্তি সম্পন্ন কৰাৰ পাছত এই চুক্তি সম্পাদন হয়। এই চুক্তিয়ে দুয়োখন দেশৰ মাজত সৈন্যসকলৰ সা-সজুলি, প্ৰশিক্ষণ আৰু যুদ্ধ অভ্যাসৰ লগতে সভাব্য সকলো পৰ্যায়তে সহযোগিতা নিয়ন্ত্ৰণ কৰিব। অৱশ্যে এই চুক্তিৰ জৰিয়তে ইউক্ৰেইনক বিশেষ অস্ত্ৰ-সস্ত্ৰ যোগান ধৰা হ'ব বুলি কোনো ধৰণৰপ্ৰতিশ্ৰুতি দিয়া হোৱা নাই।

ooooo

কংগো গণৰাজ্যৰ পূব অঞ্চলত সংঘটিত আক্ৰমণৰ ঘটনাত কমেও ৪২ জন লোক নিহত হৈছে। বুধবাৰে পূব-উত্তৰ কিভু প্ৰদেশৰ লুবেৰুৰ মাই কেংগ' গাঁৱত এই আক্ৰমণ সংঘটিত হয়। প্ৰথম অৱস্থাত মৃতকৰ সংখ্যা ২৫ জন আছিল যদিও কালিৰ দিনটোত এই সংখ্যা বৃদ্ধি পোৱা  পৰিলক্ষিত হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি আক্ৰমণকাৰীয়ে অঞ্চলটোৰ বাসিন্দাসকলক এখন সভাৰ বাবে বজাৰট গোট খাবলৈ আহ্বান জনাইছিল আৰু সমবেতলোকসকলক আগ্নেয়াস্ত্ৰ আৰু আন চোকা অস্ত্ৰৰে আক্ৰমণ কৰিছিল।

ooooo

বিগত ৬০ ঘণ্টাত উত্তৰ চিকিমত হোৱা নেৰা নেপেৰা বৰষুণে ভয়াবহ ৰূপ ধাৰণ কৰিছে। তীষ্টা নদীৰ জলস্তৰ বৃদ্ধিৰ ফলত চাংকালাঙত এখন পুৰণা ওলমা দলং আৰু নতুনকৈ নিৰ্মাণ কৰা বেইলী দলং দুয়োখনেই ভাগি পৰে। ইয়াৰ ফলত প্ৰায় দুহেজাৰ পৰ্যটক অঞ্চটোত আৱদ্ধ হৈ পৰিছে। উত্তৰ চিকিমৰ জংগো অঞ্চলৰ সৈতে গুৰুত্বপূৰ্ণ সকলো যোগাযোগ বিচিন্ন হৈ পৰিছে। জিলা দণ্ডাধীশ হেম কুমাৰ চেত্ৰীয়ে কালি এখন বৈঠকত মিলিত হৈ বৰষুণৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। বৰষুণৰ ফলত পাকেচেপত ৩জন আৰু আম্বিথাঙত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে ক'বি আৰু আম্বিথাঙত ভালেমান লোক আঘাতপ্ৰাপ্ত হৈছে।নামচি আৰু গেংটক জিলাতো প্ৰৱল বৰষুণে ভালেমান গাঁৱলীয়া পথ উটুৱাই নিছে।

ooooo

কুৱেইটত সংঘটিত অগ্নিকাণ্ডত নিহত হোৱা লোকসকলৰ মৃতদেহ কঢ়িয়াই অনা ভাৰতীয় বায়ুসেনা বাহিনীৰ বিশেষ বিমানখন আহি ক'ছিন আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হৈছেহি। কুৱেইটত মৃত্যু হোৱা ৪৫ জন লোকৰ মৃতদেহ ক'ছিলৈ লৈ অহা হৈছে। বিমান বন্দৰ কতৃপক্ষই প্ৰকাশ কৰা অনুসৰি ৪৫টা মৃতদেহৰ নথিপত্ৰ সংক্ৰান্তীয় সকলো কাম-কাজ বিমান বন্দৰতে সম্পন্ন কৰা হৈছে। ক'ছিন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নমোৱা ৩১টা শদেহৰ ভিতৰত ২৩টা কেৰালাৰ, ৭টা তামিলনাডুৰ আৰু এটা কৰ্ণাটকৰ।তামিলনাডুৰ সংখ্যালঘু কল্যান মন্ত্ৰী জিনজি কে এছ মাস্তানে ৰাজ্যখনৰ হৈ শদেহকেইটা চমজি লয়। প্ৰতিটো মৃতদেহকে নিজৰ ঘৰলৈ পঠিওৱাৰ বাবে এম্বুলেঞ্চৰ ব্যৱস্থা কৰা হৈছে। ইপিনে বাকী থকা শদেহকেইটা একেখন বিমানতে দিল্লীলৈ প্ৰেৰণ কৰা হয়।

০০০০

চৌদি আৰবৰ মিনাত ৫ দিনীয়া হজ যাত্ৰাৰ কাৰ্যসূচী আজি আৰম্ভ হৈছে। এই উপলক্ষে বিশ্বৰ প্ৰায় ২০ লাখ লোক ইয়াত একত্ৰিত হৈছে। প্ৰতিবছৰে অনুষ্ঠিত এই হজ যাত্ৰাত ভাৰতৰ ১ লাখ ৭৫ হাজাৰতকৈও অধিক তীৰ্থযাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰে ১ লাখ ৪০ হাজাৰ হজ যাত্ৰী ভাৰতীয় হজ সমিতিৰ অধীনত চৌদি আৰবত উপস্থিত হৈছে। এই বছৰ ভাৰতৰ পৰা সৰ্বাধিক ৫ হাজাৰ মহিলাই মেহৰম বা পুৰুষ অভিভাৱক অবিহনে হজ যাত্ৰাত অংশগ্ৰহণ কৰিছে। তীৰ্থযাত্ৰীসকলে পবিত্ৰ নগৰী মক্কাৰ পৰা মিনাত একগোট হ'বৰ বাবে ইতিমধ্যে যাত্ৰা আৰম্ভ কৰিছে। তেওঁলোকে তাতে নিশাটো কটাব আৰু কাইলৈ কাহিলী পুৱাতে হজৰ দিনাৰ প্ৰধান নামাজ পঢ়াৰ উদ্দেশ্যে আৰাফট অভিমুখে ৰাওনা হ'ব। ভাৰতীয় তীৰ্থযাত্ৰীসকললৈ **হজ সুবিধা** মোবাইল এপৰ যোগেদি হজ সম্পৰ্কীয় সকলো তথ্য আৰু ওজৰ-আপত্তি তথা অনান্য সা-সুবিধা প্ৰদান কৰা হৈছে। ০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন ২৪ জুনত আৰম্ভ হ'ব আৰু লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। প্ৰথম অধিবেশনৰ সময়ছোৱাত নৱনিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব আৰু এই অধিবেশনৰ সময়ছোৱাতে ৰাষ্ট্ৰপতিৰ অভিভাষণক লৈ আলোচনাও অনুষ্ঠিত হ'ব। ৰাজ্যসভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। সংসদৰ অধিবেশন ৩ জুলাইত সামৰণি পৰিব।

০০০০

ভাৰতৰ উচ্চ আয়োগ আৰু শ্ৰীলংকাৰ পূব প্ৰদেশৰ পৰ্যটন ব্যুৰোৰ উদ্যোগত আজি ট্ৰিকোমালীৰ মেক হেইজাৰ ষ্টেডিয়ামত যোগাসানৰ বিতুত কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত প্ৰায় ৫ হাজাৰ ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ সদস্যই অংশগ্ৰহণ কৰে। পূব প্ৰদেশৰ ৰাজ্যপাল সেনথিল থোণ্ডামনে, যোগাসনক বিশ্বজুৰি জনপ্ৰিয় কৰি তোলাৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়। দহ দিনিয়া যোগ মহোৎসৱৰ অংশহিচাপে অনুষ্ঠিত এই কাৰ্যসূচী ২২ জুনত কলম্বোত সামৰণি পৰিব।

০০০০

অহা ২১ জুনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ দশম সংস্কৰণৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ত্ৰিকোণাসন কৰি থকা এটা ভিডিঅ' সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। ভিডিঅ'টোৰ যোগে এই আসন পৰ্যায়ক্ৰমে কেনেদৰে কৰিব লাগে আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আসনবিধৰ উপকাৰিতা সম্পৰ্কে বৰ্ণনা কৰা হৈছে।

ভিডিঅ'টি প্ৰচাৰ কৰি প্ৰধানমন্ত্ৰীয়ে কান্ধ, পিঠি আৰু মনোযোগ বৃদ্ধিৰ বাবে ত্ৰিকোনাসনৰ অভ্যাস কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ট্ৰিনিডাদৰ ব্ৰিয়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত আজি পুৱা আফগানিস্তানে পাপুৱা নিউগিনিক ৭ উইকেটত পৰাস্ত কৰে। জয়ৰ বাবে ৯৬ ৰাণৰ লক্ষ্য আগত লৈ আফগানিস্তানে ১৫ অভাৰ এটা বলত তিনিটা উইকেটৰ বিনিময়ত ১০১ ৰাণ কৰি বিজয় সাব্যস্ত কৰে। দলটোৰ হৈ গোলবদিন নাইবে কেৱল ৩৬ টা বলত ৪৯ ৰাণ কৰি অপৰাজিত হৈ থাকে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি পাপুৱা নিউগিনিয়ে ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯৫ ৰাণ কৰে। ফজল হক ফাৰুকিয়ে তিনিটা আৰু নবীন-উল হকে দুটা উইকেট দখল কৰি আফগানিস্তানৰ জয়ত বিশেষ বৰঙণি আগবঢ়ায়। ফাৰুকিক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত আফগানিস্তানে গ্ৰুপ-চিৰ পৰা আয়োজক ৱেষ্টইণ্ডিজৰ সৈতে ছুপাৰ-৮ পৰ্যায়ত নিজৰ স্থান নিশ্চিত কৰিলে। নিউজিলেণ্ড, পাপুৱা নিউগিনি আৰু উগাণ্ডাই পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হোৱাত ব্যৰ্থ হয়।

০০০০

**সমাপ্ত**